# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2026
**Time :** 1100 Hrs.

## *Assamese 11 PM Bulletin*
0000000

সাদিনীয়া ব'হাগ বিহুৰ তৃতীয় দিনটো আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত গোসাঁই বিহু হিচাপে পালন কৰা হৈছে। আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দেৱালয়কে ধৰি ধৰ্মীয় অনুষ্ঠানসমূহত জনসাধাৰণৰ সমাগম হৈছে। বিভিন্ন সত্ৰ-নামঘৰত আজি নাম-প্ৰসংগ, মন্দিৰসমূহত পূজা-অৰ্চনাকে ধৰি ভালেমান কাৰ্যসূচী লোৱা হৈছে। বছৰটোৰ বাবে নিজৰ লগতে আপোনজনৰ মংগল কামনাৰে ৰাইজে আজি নেদেখাজনৰ ওচৰত আশীষ লৈছে। মাজুলীৰ সত্ৰসমূহতো আজি পুৱাৰে পৰাই গোঁসাই বিহুল পালন কৰা হৈছে। ভকত-বৈষ্ণৱৰ হৰিনামৰ ধ্বনিৰে সত্ৰ প্ৰাঙ্গন মুখৰ হৈ উঠিছে। বছৰটো কুশলে যোৱাৰ কামনাৰে দূৰ-দূৰণিৰ বহু লোকে আহি সত্ৰত আশীষ বিচাৰি সেৱা জনাইছে।

ইফালে, ৰাজ্যজুৰি বহাগ বিহুৰ আনন্দ উছাহ অব্যাহত আছে। উজনিৰ পৰা নামনিলৈ গাঁৱে ভূঞে, চহৰে নগৰে ঢোল, পেপাৰ শব্দ আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন প্ৰান্তত মঞ্চ বিহু কাৰ্যসূচী অনুষ্ঠিত হৈছে। ভৰলুমুখ, চানমাৰি, গণেশগুৰি, নুনমাটি, বশিষ্ঠ চাৰিআলিকে ধৰি বিভিন্ন ঠাইত মঞ্চবিহুৰ আকৰ্ষণীয় অনুষ্ঠান উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰিছে। বিহুৰ সৈতে সংগতি ৰাখি ঠায়ে ঠায়ে বিহু নাচ গান, হুঁচৰি, জেং বিহু ঢোল বাদন আৰু অন্যান্য সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আজি শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰত আজি ত্ৰয়োদশ বাৰ্ষিক মুকলি বিহুৰ আয়োজন কৰা হৈছে। বিহুৰ পুৰণি পৰম্পৰা শ্ৰদ্ধা জনোৱাৰ লগতে নতুন প্ৰজন্মক এই পৰম্পৰাসমূহৰ সৈতে চিনাকী কৰাই দিয়াৰ বাবে এই বিহুৰ আয়োজন কৰা হৈছে। আজি দিনৰ ১০ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ পাছত জ্যেষ্ঠজনৰ পৰা আশীৰ্বাদ গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। বিয়লি ৩ বজাত বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শনৰ লগতে কেইবাটাও হুচৰি দল আৰু গাভৰু  বিহু দলে নাচ পৰিৱেশন কৰিব। বিশিষ্ট শিক্ষাবিদ, লোকসংস্কৃতিৰ গৱেষক ড° অনিল শইকীয়াই সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব। এই অনুষ্ঠানত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশ ল'ব। সন্ধিয়া স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব।

বাক্সা জিলাৰ জালাহ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত কালিৰে পৰা দুদিনীয়াকৈ ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। কালি পহিলা ব'হাগৰ সন্ধিয়া অনুষ্ঠিত মুকলি বিহুত বহু লোকৰ সমাগম হয়। জিলাখনৰ ঘোৰামৰাত বিহু উদযাপন সমিতিৰ উদ্যোগত অনুষ্ঠিত চতুৰ্দশ ৰঙালী বিহু উদযাপনৰ কালি নিশা

সামৰণি পৰে। গোৱালপাৰা জিলাৰ ৰাভা জনগোষ্ঠী বসতি প্ৰধান অঞ্চলসমূহতো উলহ-মালহেৰে ৰঙালী বিহু পালন কৰা হৈছে। আগিয়াৰ ৰামপুৰৰ পহিলা ব'হাগ উদযাপন সমিতিয়ে দুদিনীয়াকৈ কাৰ্যসূচীৰে বিহু পালন কৰিছে। ৰামপুৰৰ বিহুৰ মুখ্য আকৰ্ষণ হ'ল লেৰাটনা প্ৰতিযোগিতা। পাহাৰীয়া ঠাইৰ এইবিধ বিশেষ গছৰ লতাৰে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। অঞ্চলটোৰ ১০-১৫ খন গাঁৱৰ পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা প্ৰতিযোগিতা চাবলৈ সহস্ৰাধিক লোকৰ সমাগম হয়।

০০০০০০০

আজিৰে পৰা তিনিদিনীয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। বাজেট অধিৱেশনৰ সময়সীমা বৃদ্ধি কৰি এই তিনিদিনীয়া বিশেষ সত্ৰৰ আয়োজন কৰা হৈছে। পৰহিলৈ সামৰণি পৰিবলগীয়া এই অধিৱেশনৰ সময়ছোৱাত নাৰী শক্তি বন্দন অধিনিয়মৰ সাংবিধানিক সংশোধনী সন্দৰ্ভত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ২০২৩ চনত গৃহীত এই বিধেয়কখনে লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণৰ প্ৰস্তাৱ দিছে। এই অধিৱেশনত উত্থাপন কৰিবলগীয়া সংশোধনী বিধেয়ক কেইখন হৈছে— সংবিধানৰ ১০০ আৰু ৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়কখন গৃহীত হ'লে লোকসভাত ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ পৰা আসনৰ সংখ্যা বৃদ্ধি পাব। সংসদৰ এই বিশেষ সত্ৰত ২০২৯ চনৰ সংসদীয় নিৰ্বাচনৰ পূৰ্বে আৰু লোকসভাত সদস্য সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে মহিলাৰ বাবে আসন সংৰক্ষণ আইন বলৱৎ হোৱাটো নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছুদিন পূৰ্বে সদনৰ নেতাসকলক এই সংশোধনী বিধেয়ককেইখন গৃহীত কৰাৰ বাবে এই বিশেষ সত্ৰত উপস্থিত থাকিবলৈ আহ্বান জনাইছিল। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে মহিলাৰ বাবে আসন সংৰক্ষণ বিধেয়কে প্ৰতিখন ৰাজ্য, সম্প্ৰদায় আৰু অঞ্চলৰ অভিলাষ পূৰণ কৰিব বুলি নিশ্চিত কৰিছে। বিজেপিৰ লগতে জে ডি ইউ, এল জে পি আৰ আৰু কংগ্ৰেছে তেওঁলোকৰ সাংসদসকলক এই অধিৱেশনৰ সময়ত দুয়োখন সদনতে উপস্থিত থাকিবলৈ থ্ৰী লাইন উইপ জাৰি কৰিছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয়, যে দলটোৱে মহিলাৰ আসন সংৰক্ষণ বিধেয়কৰ সমৰ্থন জনাইছে যদিও এই বিধেয়কখন কেনেদৰে উত্থাপন কৰা হ'ব এই সন্দৰ্ভত সন্দেহ আছে বুলি ব্যক্ত কৰিছে। বিধেয়কখন ৰাজনৈতিকভাৱে উদ্দেশ্য প্ৰণোদিত হ'ব পাৰে বুলি তেওঁ মন্তব্য কৰিছে।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা এখন নৈশ বাছ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত কমেও ৪০জন যাত্ৰী আহত হয়। আহতসকলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। উজনি অসমৰ পৰা গুৱাহাটী অভিমুখী বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই জাগীৰোডৰ উৰণ সেতুৰ ওপৰত বাগৰি পৰাৰ ফলত ঘটনাটো সংঘটিত হয়।

০০০০০০০

**সমাপ্ত**